OFFICE OF THE COMPLIANCE ADVISOR/OMBUDSMAN
2121 PENNSYLVANIA AVENUE, NW •WASHINGTON, DC20433, USA
TELEPHONE +1 202-458-1973• FACSIMILE +1 202-522-7400
CAO@worldbankgroup.org

**COMMUNIQUÉ**

# চিএঅ’-এ প্ৰকাশ কৰিছে এমালগেমেটেড প্লেনটেশ্যনছ প্ৰাইভেট লিমিটেড, ইণ্ডিয়াত কৰা আইএফচি বিনিয়োগৰ সমাকৰণ প্ৰতিবেদন

28 জানুৱাৰী, 2019 – বিশ্ব বেংক গ্ৰুপৰ আন্তঃৰাষ্ট্ৰীয় বিত্তীয় পৰিষদ (আইএফচি)ৰ স্বতন্ত্ৰ জবাবদিহি ব্যৱস্থা কমপ্লায়েন্স এডভাইজৰ অ’মবাডছমেন (চিএঅ’)এ উত্তৰ পূব ভাৰতত এমালগেমেটেড প্লেনটেশ্যনছ প্ৰাইভেট লিমিটেড (এপিপিএল, গ্ৰাহক)ত আইএফচি-এ কৰা বিনিয়োগৰ সংক্ৰান্তত এক বাধ্যতামূলক সমাকৰণ প্ৰতিবেদন প্ৰকাশ কৰিলে।

এপিপিএল হৈছে ভাৰতত চাহৰ দ্বিতীয় সৰ্ববৃহৎ প্ৰস্তুতকৰ্তা তথা যোগান ধৰোঁতা আৰু অসম তথা পশ্চিম বঙ্গত থকা ইয়াৰ 25 খন চাহ বাগিচাত 30,000ৰো অধিক কৰ্মচাৰী আছে। আইএফচিৰ 2009 বৰ্ষৰ ইকুইটী বিনিয়োগ এক বহনক্ষম কৰ্মচাৰী-স্বত্বাধিকাৰযুক্ত প্লেনটেশ্যন আৰ্হিৰ ৰূপায়ণত সহায় কৰাৰ বাবে ডিজাইন কৰা হৈছিল। কৰ্মচাৰীসকলক এপিপিএলত শ্বেয়াৰ ক্ৰয় কৰাৰ সুবিধা প্ৰদান কৰা হৈছিল। এই বিনিয়োগৰ অংশ হিচাপে, এপিপিএল যাতে আইএফচি-ৰ প্ৰদৰ্শন মানদণ্ড অনুযায়ী পৰিচালিত হয় তাক আইএফচি-এ নিজেই সুনিশ্চিত কৰাটো প্ৰয়োজন আছিল।

এই সমাকৰণ প্ৰতিবেদন এপিপিএল-ত কৰা আইএফচি-ৰ বিনিয়োগৰ ওপৰত চিএঅ’-ৰ বাধ্যতামূলক অনুসন্ধানৰ ওপৰত কৰা হৈছে, যিটো 2016 বৰ্ষত প্ৰকাশ পাইছিল। চিএঅ’-ৰ অনুসন্ধানত এপিপিএল-ৰ বিনিয়োগৰ সৈতে জড়িত আইএফচি-ৰ মূল্যায়ন তথা পৰিৱেশজনিত আৰু সামাজিক দায়বদ্ধতাৰ ব্যৱস্থাপনা সংক্ৰান্তীয় বিষয়সমূহ মানি নচলাৰ কথা পোহৰলৈ আহিছিল। বিশেষকৈ, চিএঅ’-এ গম পাইছিল যে কৰ্মীসকলৰ জীৱন যাপনৰ অৱস্থা, ক্ষতিপূৰণ, সংঘবদ্ধ হোৱা তথা অভিযোগ নিয়ন্ত্ৰণৰ অধিকাৰ, শিশু শ্ৰমিক, কীটনাশকৰ ব্যৱহাৰ, সুৰক্ষা, অৰ্থনৈতিক অপসৰণ, খিলঞ্জীয়া লোকসকলৰ ওপৰত প্ৰজেক্টৰ প্ৰভাৱ আৰু এজন কৰ্মচাৰীৰ শ্বেয়াৰ ক্ৰয় আঁচনিৰ সন্দৰ্ভত পৰামৰ্শ প্ৰদানৰ সৈতে জড়িত প্ৰদৰ্শন মানসমূহ মানি চলাৰ ক্ষেত্ৰত গ্ৰাহকৰ বাধ্যবাধকতা মানি চলাটো আইএফচি-এ সুনিশ্চিত কৰিব পৰা নাই।

চিএঅ’-ৰ অনুসন্ধানৰ প্ৰতি সঁহাৰি জনাই, আইএফচি-এ উল্লেখ কৰিছিল যে মানুহৰ স্বাস্থ্য, কৰ্মীসকলৰ স্বাস্থ্য তথা সুৰক্ষা, আবাসগৃহ আৰু অনাময় ব্যৱস্থাৰ আন্তঃগাঁথনিৰ দৰে অৱহেলিত তথা যুগ যুগ ধৰি চলি থকা সমস্যাবোৰৰ সমাধান কৰিবলৈ এপিপিএল-এ এখন কৰ্ম আঁচনি ৰূপায়িত কৰিছিল। তাৰোপৰি, আইএফচি-এ এপিপিএল-ৰ 25 খন চাহ বাগিচা সামৰি বাৰ্ষিক হিচাপ পৰীক্ষা তথা কৰ্মীবৃন্দৰ আশা আকাংক্ষাৰ সমীক্ষা কৰিবলৈ এটা তৃতীয় পক্ষক দায়িত্ব অৰ্পণ কৰাৰ প্ৰতিশ্ৰুতি দিছিল। আইএফচি-এ ৰাষ্ট্ৰীয় ন্যুনতম মজুৰী প্ৰয়োজনীয়তা সংক্ৰান্তত গ্ৰাহকে মানি চলিবলগীয়া বাধ্যবাধকতাৰ ওপৰত বৈধ মতামত আগবঢ়োৱাৰ প্ৰতিশ্ৰুতিও প্ৰদান কৰিছিল, আৰু উপভোক্তাৰ কৰ্ম আঁচনি কৰ্মীবৃন্দৰ আগত সদৰী কৰাৰ লগতে আলোচনা কৰাৰো নিশ্চয়তা প্ৰদান কৰিছিল।

চিএঅ’-ৰ তদন্ত প্ৰতিবেদন প্ৰকাশ পোৱাৰ পিছৰেপৰা, এপিপিএল-এ প্ৰতিশ্ৰুতি দিয়া কেতবোৰ কৰ্ম আঁচনি ৰূপায়ণৰ অগ্ৰগতিৰ বিষয়ে অৱগত কৰিছে। অভিযোগকাৰীসকলে জনাইছে যে কৰ্ম আঁচনিৰ সন্দৰ্ভত তথা কামৰ অগ্ৰগতিৰ ওপৰত দেখা দিয়া চিন্তাসমূহ আৰু ইয়াৰ ৰূপায়ণৰ মানদণ্ডৰ সন্দৰ্ভত কৰ্মীসকলৰ সৈতে আলোচনা কৰা হোৱা নাই।

পৰ্যৱেক্ষণ প্ৰক্ৰিয়াৰ এটা অংশ হিচাপে, চিএঅ’-এ প্ৰকল্পৰ নথিভুক্তকৰণ প্ৰক্ৰিয়াৰ পুনৰীক্ষণ কৰিছিল আৰু প্ৰকল্পটোৰ তত্বাৱধানৰ দায়িত্বত থকা আইএফচি-ৰ কৰ্মচাৰীসকলৰ সৈতে আলোচনা বিলোচনা কৰিছিল। চিএঅ’-এ অভিযোগকাৰী তথা আইএফচি উপভোক্তাৰ প্ৰতিনিধিসকলৰ সৈতেও কথাবাৰ্তা পাতিছিল। চিএঅ’-এৰ সমাকৰণ প্ৰতিবেদনত এটা সিদ্ধান্ত দিয়া হৈছিল যে আইএফচি-এ প্ৰকল্পটোৰ সীমিত তত্বাৱধান সম্পূৰ্ণ কৰিলে আৰু চিএঅ’-ৰ তদন্তত ওলোৱা নীতি-নিৰ্দেশনা মানি নচলাৰ সমস্যাটোৰ সন্তোষজনক সমাধান লাভ নকৰিলে। মূল তদন্তত উত্থাপন কৰা মতে, চিএঅ’ এইটো বিষয় লৈ চিন্তিত হৈ থাকিল যে আইএফচি-ৰ প্ৰদৰ্শন মানৰ লগতে নিজৰ উপভোক্তা বাধ্যবাধকতা মূল্যায়ন কৰাৰ বাবে প্ৰয়োজনীয় তথ্যপাতিবোৰ উন্নত তথা ধাৰণ কৰাৰ প্ৰয়োজনীয়তাৰ বাবে প্ৰকল্পটোৰ ওপৰত আইএফচিয়ে লোৱা তত্বাৱধানৰ অভাৱ হৈছিল। ফল স্বৰূপে, চিএঅ’ এটা সিদ্ধান্ত উপনীত হৈছে যে প্ৰদৰ্শন মানসমূহ মানি চলাত সফলতা লাভ কৰিবৰ বাবে তেওঁলোকৰ উপভোক্তাসকল সঠিক পথত থকাটোৰ ওপৰত আইএফচি-ৰ কোনো নিশ্চয়তা নাই।

**এই সন্দৰ্ভত সবিশেষ www.cao-ombudsman.org.ত লাভ কৰিব।**

ৱাশ্বিংটন ডিচিৰ যোগাযোগ:
**এমিলি হৰ্গান**
**ইমেইল:** ehorgan@worldbankgroup.org; **টেলি:** +1 202-473-8353

---

***চিএঅ’ৰ বিষয়েঃ***

চিএঅ’ হৈছে বিশ্ব বেংক গ্ৰুপৰ সদস্য আন্তঃৰাষ্ট্ৰীয় বিত্তীয় পৰিষদ (আইএফচি) আৰু মাল্টিলেটাৰেল ইনভেষ্টমেণ্ট গ্যাৰাণ্টী এজেন্সী (এমআইজিএ)ৰ স্বতন্ত্ৰ জবাবদিহি ব্যৱস্থা। চিএঅ’ৰ অধ্যাদেশ হৈছে পৃষ্ঠভূমিত পৰিবৰ্ধিত পৰিৱেশজনিত তথা সামাজিক ফলাফলসমূহ লাভ কৰাৰ

লক্ষ্যৰে নিৰপেক্ষ, বস্তুনিষ্ঠ তথা গঠনমূলক ধৰণেৰে আইএফচি আৰু এমআইজিএ প্ৰকল্পসমূহত প্ৰভাৱিত লোকসকলৰপৰা লাভ কৰা অভিযোগসমূহ দূৰ কৰা। চিএঅ'-এ বিশ্ব বেংক গ্ৰুপৰ অধ্যক্ষৰ হাতত প্ৰতিৱেদন দাখিল কৰে। চিএঅ'ৰ আনুগত্য মানি চলা ঘটনাৱলীয়ে আইএফচি/এমআইজিএৰ প্ৰদৰ্শনৰ ওপৰত মনোনিৱেশ কৰে আৰু আইএফচি/এমআইজিএ উপভোক্তাসকল বা তেওঁলোকৰ বাণিজ্যিক ক্ৰিয়াকলাপসমূহৰ সৈতে সম্পৰ্ক থকা বাধ্যবাধকতাৰ অনুসন্ধান নকৰে।